**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-07 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

# HEADLINES

::::::::::::::::::

১। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নাগালেণ্ডৰ জলপথ সক্ষম কৰাৰ উদ্দেশ্যে ভালেমান পদক্ষেপৰ বিষয়ে ঘোষণা কৰিছে।

২। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজিৰে পৰা দুদিনীয়া চৰকাৰী সূচীৰে মৰিচাছ্ ভ্ৰমণ কৰিব।

৩। ওড়িশাৰ পুৰীত কালি বিশ্বপ্ৰসিদ্ধ বহুড়া ৰথ যাত্ৰাৰ সামৰণি পৰে।

৪। ডʼনাল্ড ট্ৰাম্পক আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰিপাব্লিকান দলৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে আনুষ্ঠানিকভাৱে মনোনীত কৰা হৈছে। **আৰু**

৫। ভাৰতৰ সুমিত নাগাল আজি ছুইডেন অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ এখন খেলত এলিয়াছ য়েমাৰৰ সন্মুখীন হʼব।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নাগালেণ্ডৰ জলপথ সক্ষম কৰাৰ উদ্দেশ্যে বৃহৎ পদক্ষেপৰ কথা ঘোষণা কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে **১০১** নম্বৰ টিজু-জুংকি ৰাষ্ট্ৰীয় জলপথৰ উন্নয়নৰ কথা ঘোষণা কৰি কয় যে টিজু-জুংকি নদীক নাগালেণ্ডৰ অৰ্থনৈতিক উন্নয়নৰ বাবে ব্যৱহাৰ কৰা হʼব, যাতে এই জলপথৰ জৰিয়তে সামগ্ৰী আৰু যাত্ৰী পৰিবহণ সম্ভৱ হয়। ভাৰতৰ আভ্যন্তৰীণ জলপথ কৰ্তৃপক্ষ, বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ উদ্যোগত কালি নাগালেণ্ডৰ চুমৌকেডিমাত অনুষ্ঠিত অংশীদাৰ সন্মিলনৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই ঘোষণা কৰে। তেওঁ ভাৰতীয় আভ্যন্তৰীণ জলপথ কৰ্তৃপক্ষ আৰু নাগালেণ্ড চৰকাৰৰ পৰিবহণ বিভাগক সন্মিলিতভাৱে নৌ পৰিবহণৰ সম্ভাৱনা অধ্যয়ন কৰিবলৈ আহ্বান জনায়। শ্ৰীসোণোৱালে দৈয়া হ্ৰদৰ পৰ্যটন সম্ভাৱনা বিকাশৰ লগতে ৰʼ পেক্স ফেৰীৰ সম্ভাৱনা অধ্যয়নৰ বাবেও পদক্ষেপ লোৱাৰ কথা ঘোষণা কৰে। ইয়াৰ ফলত ৰাজ্যখনত পৰ্যটনত ইতিবাচক প্ৰভাৱ পৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। সন্মিলনত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅʼ, উপ-মুখ্যমন্ত্ৰী য়ান্থুংগো পেটন, পৰ্যটন মন্ত্ৰী টেমজেন ইমনা এলং, লোকসভাৰ সাংসদ এছ এছ জামিৰ, ৰাজ্যসভাৰ সাংসদ ফাংগনন কন্যাক, আভ্যন্তৰীণ জলপথ কৰ্তৃপক্ষৰ উপাধ্যক্ষ সুনীল সিং, ৰাজ্য চৰকাৰৰ বিধায়ক আৰু উপদেষ্টা, পৰিবহণ বিভাগৰ আয়ুক্ত আৰু সচিবৰ লগতে কেন্দ্ৰ আৰু নাগালেণ্ড চৰকাৰৰ অন্যান্য উচ্চপদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজিৰে পৰা দুদিনীয়া চৰকাৰী সূচীৰে মৰিচাছ্ ভ্ৰমণ কৰিব। ভ্ৰমণকালত বিদেশ মন্ত্ৰীগৰাকীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ যুগনাথক সাক্ষাৎ কৰিব আৰু দেশখনৰ অন্যান্য

জ্যেষ্ঠ মন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। তেওঁ লগতে দেশখনৰ অন্যান্য বিশেষ নেতাসকলৰ সৈতেও মত বিনিময় কৰিব।

বিদেশ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু মৰিচাছৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশৰ অগ্ৰগতিৰ বুজ লোৱাত সহায় কৰিব। মন্ত্ৰ্যালয়ে কয় যে, বিদেশ মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে উভয় দেশৰ সম্পৰ্ক ত্বৰান্বিত কৰাৰ লগতে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি, **সাগৰ** দৃষ্টিভংগী আৰু গ্লোবেল ছাউথৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিব। এই ভ্ৰমণে দুয়োখন দেশৰ বহুমুখী দ্বিপাক্ষিক সম্পৰ্কক শক্তিশালী কৰাৰ বাবে উভয় পক্ষৰ অবিৰত প্ৰচেষ্টাক নতুন মাত্ৰা প্ৰদান কৰিব আৰু দুয়োখন দেশৰ জনসাধাৰণৰ ঘনিষ্ঠ সম্পৰ্কক অধিক শক্তিশালী কৰি তুলিব বুলিও বিদেশ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে।

০০০০০

ওড়িশাৰ পুৰীত কালি ভগৱান জগন্নাথ, ভগৱান বলভদ্ৰ আৰু দেৱী সুভদ্ৰাই গুণ্ডিচা মন্দিৰৰ পৰা জগন্নাথ মন্দিৰলৈ কৰা বহুৰা যাত্ৰা শীৰ্ষক ওভটনি যাত্ৰাৰ সামৰণি পৰে। এই যাত্ৰা প্ৰত্যক্ষ কৰিবলৈ পুৰীত কালি লক্ষাধিক ভক্তৰ সমাগম হয়। অগণন ভক্তই ভগৱান কেইগৰাকীক মূল মন্দিৰলৈ ঘূৰাই অনা ৰথকেইখন টানি অনা কাৰ্যত ভাগ লয়। ভগৱান বলভদ্ৰৰ তালধবজ নামৰ ৰথখনৰ ওভটনি যাত্ৰা কালি বিয়লি ৩ বাজি ২৫ মিনিটত আৰম্ভ হয়। ইয়াৰ পাছতে দেৱী সুভদ্ৰাৰ দেৱদলন নামৰ ৰথখনে ৪ বজাত ওভটনি যাত্ৰাৰ পাতনি মেলে। ভগৱান জগন্নাথৰ নন্দীঘোষ নামৰ ৰথখনৰ ওভটনি যাত্ৰা বিয়লি ৪ বাজি ১৫ মিনিটত আৰম্ভ হয়। বহুড়া যাত্ৰাৰ পাছত কাইলৈ দেৱ-দেৱীসকলৰ নিজ নিজ ৰথতে সুনাবেশা পৰ্ব আয়োজিত হ'ব। অহা বৃহস্পতিবাৰে আৰাধনা পৰ্ব অনুষ্ঠিত হোৱাৰ পাছত অহা শুকুৰবাৰে মূল মন্দিৰৰ গৰ্ভগৃহত ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে ভগৱান জগন্নাথ, ভগৱান বলভদ্ৰ আৰু দেৱী সুভদ্ৰাক পুনৰ অধিষ্ঠিত কৰাবলৈ নীলাদ্ৰী বিজে নামৰ পৰ্ব অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে খ্যাতনামা ৰাজনীতিক কে কমৰাজৰ জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে শিক্ষাৰ ক্ষেত্ৰত প্ৰয়াত কমৰাজৰ অৱদান এতিয়াও অনন্য আৰু তেঁওৰ আদৰ্শক বাস্তবায়িত কৰাৰ লগতে এখন কল্যাণকামী সমাজ গঢ়িবলৈ চৰকাৰ সংকল্পবদ্ধ।

০০০০০

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে দেশৰ পশ্চিম প্ৰান্তত আজি প্ৰৱল বৃষ্টিপাতৰ আশংকা প্ৰকাশ কৰিছে। বিভাগে কৈছে যে কংকান, গোৱা, মধ্য মহাৰাষ্ট্ৰ, গুজৰাট, দক্ষিণ কৰ্ণাটক আৰু ইয়াৰ উপকূলীয় অঞ্চল, সৌৰাষ্ট্ৰ আৰু কুটচৰ বিভিন্ন প্ৰান্তত প্ৰৱল বৰষুণৰ আশংকা আছে। বতৰ বিজ্ঞান বিভাগে আজিৰে পৰা অহা শুকুৰবাৰলৈ তেলেংগানা, অন্ধ্ৰ প্ৰদেশৰ উপকূলীয় অঞ্চল, য়ানাম, ছত্তীশগড় আৰু উত্তৰ কৰ্ণাটকতো প্ৰৱল বৃষ্টিপাতৰ আশংকাৰ প্ৰতি লক্ষ্য ৰাখি সতৰ্কবাণী জাৰি কৰিছে। আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত বিভাগৰ জ্যেষ্ঠ বিজ্ঞানী আৰ কে জেনামণীয়ে কয় যে ওড়িশা উপকূলৰ ওচৰত নিম্ন চাপ সৃষ্টি হোৱাৰ ফলত গুজৰাট, মহাৰাষ্ট্ৰ আৰু কৰ্ণাটক অঞ্চলত বাৰিষাৰ প্ৰভাৱ বৃদ্ধি পাইছে।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক ৰিপাব্লিকান দলৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে আনুষ্ঠানিকভাৱে মনোনীত কৰা হৈছে। মিলৱাউকিত যোৱা নিশা ৰিপাব্লিকান ৰাষ্ট্ৰীয় কমিটীৰ প্ৰতিনিধিসকলৰ

পৰা সংখ্যাগৰিষ্ঠ ভোট লাভ কৰাৰ পাছত তেওঁক আনুষ্ঠানিকভাৱে মনোনীত কৰা হয়। এয়া হ'ল ২০১৬ বৰ্ষত নিৰ্বাচনত জয়লাভ কৰাৰ পাছত আৰু ২০২০ বৰ্ষত জ' বাইডেনৰ বিৰুদ্ধে পৰাজিত হোৱাৰ পাছত ট্ৰাম্পে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা ক্ৰমাগত তৃতীয় নিৰ্বাচন। আমেৰিকা যুক্তৰাষ্ট্ৰত অহা নৱেম্বৰত ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব।

ooooo

অসমৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। সাক্ষাৎকালত ৰাজ্যপালগৰাকীয়ে শ্ৰীমোদীক ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ বিষয়ে অৱগত কৰে। সাক্ষাৎকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ লগতে বানৰ প্ৰভাৱ কম কৰাৰ ক্ষেত্ৰত সহায়ৰ বাবে কেন্দ্ৰীয় চৰকাৰ সদায় ৰাজ্য চৰকাৰৰ পক্ষত আছে। সাক্ষাৎকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে বানাক্ৰান্ত লোকসকলৰ পুনৰ্বাসনৰ কাৰ্য সম্পন্ন কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰক সহায়-সহযোগিতা আগবঢ়াব বুলি শ্ৰীকাটাৰীয়াক আশ্বাস প্ৰদান কৰে।

ooooo

অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডুৱে কৈছে যে, জনসাধাৰণৰ বাবে বিমান যাত্ৰা অধিক সুলভ আৰু সহজসাধ্য কৰি তোলাটো চৰকাৰৰ অন্যতম অগ্ৰাধিকাৰ।

নতুন দিল্লীত চলিত বৰ্ষৰ দ্বিতীয় এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ মন্ত্ৰী পৰ্যায়ৰ সন্মিলনৰ সৈতে জড়িত এটা বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীনাইডুৱে দেশৰ অসামৰিক বিমান পৰিবহণ খণ্ডত শক্তিশালী আন্তঃগাঁথনি বিকশাই তোলাৰ বাবে চৰকাৰে গ্ৰহণ কৰা উদ্যম পদক্ষেপসমূহত আলোকপাত কৰে। তেওঁ কয় যে, বিমান পৰিবহণ খণ্ডৰ ভৱিষ্যতৰ দৃষ্টিভংগীৰ সৈতে বহনক্ষম উন্নয়নৰ লক্ষ্য জড়িত হৈ আছে। পৰিবেশ অনুকুল প্ৰযুক্তি গ্ৰহণ আৰু সেউজ প্ৰযুক্তিত বিনিয়োগে বিমান পৰিবহণ খণ্ডক নতুন মাত্ৰা প্ৰদান কৰিব বুলি শ্ৰীনাইডুৱে উল্লেখ কৰে।

নতুন দিল্লীত অহা ১১ আৰু ১২ ছেপ্তেম্বৰত দ্বিতীয় এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ মন্ত্ৰী পৰ্যায়ৰ সন্মিলনৰ আয়োজন কৰা হৈছে। সন্মিলনত আগশাৰীৰ বিভিন্ন বিমান পৰিবহণ সংস্থা, বিমান পৰিবহণ খণ্ডৰ লগত জড়িত নেতা আৰু ভালেসংখ্যক গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰিব আৰু অসামৰিক বিমান পৰিবহণ খণ্ডৰ ভৱিষ্যত সম্পৰ্কে আলোচনা কৰিব।

ooooo

পূব আফগানিস্তানৰ কুনাৰ প্ৰদেশত বানৰ ফলত কালি পৰ্যন্ত কমেও পাঁচগৰাকী লোকৰ মৃত্যু হৈছে। ৰাজ্যখনৰ ৰাজধানী আছাদাবাদৰ লগতে আন কিছু জিলাত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত বানৰ সৃষ্টি হয়। দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ হৈ প্ৰাদেশিক পৰিচালক ইহছানুল্লাহ ইহছানে জনাইছে যে আছাদাবাদ চহৰত বানৰ ফলত শিশু-মহিলাসহ চাৰিগৰাকী লোকে প্ৰাণ হেৰুৱাইছে আৰু আছমাৰ জিলাত আন এগৰাকী মহিলাৰ মৃত্যু হৈছে। আফগানিস্তানৰ বতৰ বিজ্ঞান বিভাগে দুদিন পূৰ্বে দেশখনৰ ৩৪খন ৰাজ্যৰ ভিতৰত ২২খনতে ধাৰাসাৰ বৰষুণ, বিজুলী-ঢেৰেকনী আৰু কৃত্ৰিম বানৰ আশংকা প্ৰকাশ কৰিছিল।

০০০০০

ভাৰতৰ সুমিত নাগাল আজি ছুইডেনৰ বাষ্টাড টেনিছ ষ্টেডিয়ামত চলি থকা ছুইডেন অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ এখন খেলত আয়োজক দেশখনৰ এলিয়াছ য়েমাৰৰ সন্মুখীন হ'ব। ইপিনে পুৰুষৰ ডাবলছত ভাৰতীয় ভাৰতীয় খেলুৱৈগৰাকী আৰু পোলেণ্ডৰ কেৰল ড্ৰজেৱিছ্‌কিৰ যুটীটো আজি বিয়লি ফ্ৰান্সৰ আলেকজেন্দ্ৰী মুলাৰ আৰু লুকাভেন এচেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ভাৰতৰ ৰোহন বোপন্না আৰু এন শ্ৰীৰাম বালাজীৰ যুটীটো কাইলৈ হেমবাৰ্গ অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ প্ৰথম ৰাউণ্ডত জাৰ্মানীৰ জেকব স্লাইটাৰ আৰু মাৰ্ক বালন'ৰ সন্মুখীন হ'ব। ভাৰতীয় যুটীটোৱে পেৰিছ অলিম্পিকৰ পূৰ্বে ক্ৰ'ৱেছিয়াৰ উমাগত আন এখন প্ৰতিযোগিতাতো অংশগ্ৰহণ কৰিব। পেৰিছ অলিম্পিকৰ পূৰ্বে ক্ৰ'ৱেছিয়াত হ'বলগীয়া প্ৰতিযোগিতাখন বোপন্না আৰু বালাজীৰ বাবে অন্তিমখন প্ৰতিযোগিতা হ'ব।

০০০০০

সমাপ্ত